জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১০৪/২০২২**

# গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰি নতুন চুপাৰস্পেচিয়েলিটি ইউনিটৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৯ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰি অহা ১০ মে'ত উদ্বোধন কৰিবলগীয়া নতুন চুপাৰস্পেচিয়েলিটি ইউনিটৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ শীৰ্ষ বিষয়াসকলৰ সৈতে হোৱা বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ জনসাধাৰণক উন্নত চিকিৎসা সেৱা উপলব্ধ কৰোৱাৰ বাবে প্ৰায় ১৮০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা অত্যাধুনিক এই হাস্পতালখন তেওঁৰ এক সপোনৰ প্ৰকল্প। নিউৰ'লজি, নিউৰ'চাৰ্জাৰী, কাৰ্ডিঅ'লজি আৰু কাৰ্ডিয়েক-চাৰ্জাৰীৰ উন্নত চিকিৎসা সেৱা আগবঢ়োৱাৰ বাবে এই উন্নত মানদণ্ডৰ চুপাৰস্পেচিয়েলিটি হাস্পতালখন নিৰ্মাণ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই চিকিৎসালয়খনত অন্তৰ্ভূক্ত কৰা অত্যাধুনিক চিকিৎসা সেৱা ব্যৱস্থাৰাজিয়ে কেৱল ৰাজ্যখনৰে নহয়, দক্ষিণ-পূব এছিয়াৰ ৰাষ্ট্ৰসমূহৰ জনসাধাৰণকো আকৰ্ষিত কৰিব।

মুখ্যমন্ত্ৰীয়ে এই চিকিৎসালয়খনত যন্ত্ৰপাতিকে ধৰি সকলো সুবিধা সুনিশ্চিত কৰাৰ বাবে নিৰ্দেশ দিয়ে যাতে এই অত্যাধুনিক হাস্পতালখনে উদ্বোধনৰ পিছৰে পৰা জনসাধাৰণক উন্নত মানদণ্ডৰ সেৱা আগবঢ়াব পাৰে। মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ শীৰ্ষ বিষয়াসকলক চিকিৎসকৰ লগতে লেবৰেটৰী টেকনিচিয়ান, নাৰ্ছ, অন্যান্য কৰ্মচাৰীকে ধৰি সকলো পৰ্যায়তে খালী হৈ থকা পদসমূহ শীঘ্ৰে পূৰণ কৰাৰ বাবে যথোচিত পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। তেওঁ চিকিৎসা খণ্ডৰ লগত জড়িত থকা প্ৰতিভাসম্পন্ন ব্যক্তিসকলক যাতে এই হাস্পতালখনে আকৰ্ষণ কৰিব পাৰে তাৰ বাবে প্ৰয়াস চলাবলৈও কয়।

আজিৰ এই বৈঠকত তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱ লোচন দাস, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত সচিব সিদ্ধাৰ্থ সিং উপস্থিত থাকে।

ইয়াৰ আগতে মুখ্যমন্ত্ৰীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকা প্ৰাক্তন মন্ত্ৰী বিনোদ গোৱালা আৰু চিৰাং জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (হেডকোৱাৰ্টাৰ) প্ৰকাশ মেধীৰ স্বাস্থ্যৰ বুজ লয় আৰু তেওঁলোকৰ আশু-আৰোগ্য কামনা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে তেখেতসকলৰ চিকিৎসাৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সকলো ধৰণৰ সহযোগিতা আগবঢ়াব।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

উল্লেখযোগ্য যে চিৰাং জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (হেডকোৱাৰ্টাৰ) প্ৰকাশ মেধী যোৱা মঙলবাৰে দুষ্কৃতিকাৰীৰ আক্ৰমণত আঘাতপ্ৰাপ্ত হৈছিল।

**অঃহাঃ / পুঃডেঃ**
**৯-০৪-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in